**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

বিটিচি নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা সাংসদ সুস্মিতা দেৱে কালি চিৰাং জিলাৰ পদ্মপুৰত কাজলগাঁও পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী জিতেন নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়। শ্ৰীমতী দেৱে কংগ্ৰেছ দলক সমালোচনা কৰি কংগ্ৰেছে এই পৰিষদীয় নিৰ্বাচনত বিজেপিক সহায় কৰিবলৈহে প্ৰাৰ্থী দিয়া বুলি অভিযোগ কৰে। বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বনজাৰ দৈমাৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। শ্ৰীমহিলাৰীয়ে এখন বিশাল জনসভাক সম্বোধি কয়, যে ইউ পি পি এল দলৰ পূৰ্বৰ পাৰিষদ দিলীপ বড়োৱে বৃহত্তৰ খালিংদুৱাৰ সমষ্টিৰ জনসাধাৰণৰ মৌলিক সমস্যা সমাধানত গুৰুত্ব দিয়া নাছিল। তেওঁ লগতে ইউ পি পি এলৰ পাৰিষদগৰাকী বিভিন্ন জনগোষ্ঠীৰ সৈতে সুসম্পৰ্ক বজাই ৰখাত ব্যৰ্থ হোৱা বুলিও সমালোচনা কৰে। বিধায়ক দুৰ্গা দাস বড়ো, বি পি এফৰ জ্যেষ্ঠ নেত্ৰী কমলা বসুমতাৰীকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰা এই সভাত হাগ্ৰামা মহিলাৰীয়ে বি টি চি নিৰ্বাচনত বি পি এফ দল একক সংখ্যাগৰিষ্ঠতাৰে জয়ী হ'ব বুলি দাবী কৰে।

ইপিনে, বি টি আৰৰ মুৰব্বী তথা ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে সাংসদ জয়ন্ত বসুমতাৰীৰ সৈতে কালি চৰাইবিল পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ৰাজু কুমাৰ নাৰ্জাৰীৰ সমৰ্থনত হাতীগড় আৰু গুৰুফেলাত বিশাল নিৰ্বাচনী সভাত অংশ লয়। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কালি সন্ধিয়া থুৰিবাৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জমছেৰ আলীৰ সমৰ্থনত পুৰাণ বিজনীত প্ৰচাৰ চলায়। সভাত প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰো উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাঙত বিজেপি প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। তেওঁ আজি জিলাখনৰ ১৪ নম্বৰ চিৰাং সমষ্টিৰ দলীয় প্ৰাৰ্থী সৌমখৌৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ১৯ নম্বৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ হৈ উলুবাৰীত প্ৰচাৰ চলাব।

মুখ্যমন্ত্ৰীৰ প্ৰচাৰ সভাৰ পূৰ্বে কালি নিশা চিৰাঙত নিৰ্বাচনী হিংসা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। চিৰাঙৰ নিছিমা পৰিষদীয়া সমষ্টিত কালি নিশা ইউ পি পি এলৰ কৰ্মী, সমৰ্থকে বি পি এফৰ ৩ খন গাড়ীত আক্ৰমণ কৰাৰ লগতে কেইবাজনো কৰ্মীক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে। নিছিমা সমষ্টিৰ বৰ্তমানৰ পাৰিষদ তথা বি পি এফৰ প্ৰাৰ্থী জেমছ বসুমতাৰীয়ে শীঘ্ৰে দোষীক আটক কৰাৰ দাবী জনাইছে।

০০০০০০০

বিদ্যালয় শিক্ষা বিভাগে সেৱা সপ্তাহ উপলক্ষে অহা ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি হ'বলগীয়া গছপুলি ৰোপণ কাৰ্যসূচীত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলকে ধৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ অংশগ্ৰহণ বাধ্যতামূলক কৰি এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ছমহীয়া পৰীক্ষা আৰম্ভ হোৱা বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক নকৰিবলৈ শিক্ষা বিভাগে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকক পত্ৰযোগে নিৰ্দেশ দিছে। নিৰ্দেশটোত বিদ্যালয় কৰ্তৃপক্ষই ৰোপণ কৰা গছপুলিৰ ফটো এই সম্পৰ্কীয় প'ৰ্টেলত আপলোড কৰিব লাগিব বুলি কোৱা হৈছে। তদুপৰি বিদ্যালয় কৰ্তৃপক্ষক গছপুলি ৰোপণ কাৰ্যসূচীত দিন হাজিৰাত কাম কৰা লোককো নিয়োজিত কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। এই শ্ৰমিকসকলক বিদ্যালয়ৰ বছৰেকীয়া অনুদানৰ পৰা মজুৰি আদায়ৰ ব্যৱস্থা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি পৰহিলৈৰ পৰা ৭ দিনীয়াকৈ **সেৱাই সমৰ্পণ ঃ সেৱা সপ্তাহ** শীৰ্ষ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ ২০ হাজাৰ শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰতিখনতে ৭৫টাকৈ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাজ্যৰ বিভিন্ন বিভাগৰ মন্ত্ৰী, বিধায়ক আৰু বিটিআৰৰ বাহিৰে অন্য জিলাৰ আয়ুক্তসকলৰ সৈতে সেৱা সপ্তাহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিছে। এই কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ, ৰক্তদান শিবিৰ মুকলি কৰাৰ লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কাৰ্যসূচীও অনুষ্ঠিত কৰা হ'ব। ৰাজ্যজুৰি ৰূপায়ণ হ'বলগীয়া এই পদক্ষেপৰ সফলতা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে।

০০০০০০০

আজি ৰাষ্ট্ৰীয় অভিযন্তা দিৱস। ভাৰতীয় অভিযান্ত্ৰিক শাখাৰ পিতৃস্বৰূপ, প্ৰখ্যাত অভিযন্তা, শিক্ষাবিদ, ছাৰ মোক্ষগুন্দম বিশ্বেশ্বৰীয়া'ৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে ১৫ ছেপ্তেম্বৰৰ দিনটোতে 'ৰাষ্ট্ৰীয় অভিযন্তা দিৱস' পালন কৰা হয়। এই দিনটোতেই উদ্ভাৱনী ক্ষেত্ৰ আৰু সমাজৰ অগ্ৰগতিত অতুল্য বৰঙণি আগবঢ়োৱা অভিযন্তাসকলক সন্মান জনোৱা হয়।

০০০০০০০

উত্তৰ গুৱাহাটীৰ ঘোঁৰামাৰা কদমতলত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত এখন বাহন ভস্মীভূত হয়। অগ্নি নিৰ্বাপণ বাহিনীয়ে ততালিকে জুই নুমুৱাই যদিও বাহনখন ইতিমধ্যে ভস্মীভূত হয়। উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰৰ তলতে এই ঘটনা সংঘটিত হৈছিল। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ ৫টা বলত তিনিটা উইকেট হেৰুৱাই ১৩১ ৰান কৰে। অ'পেনাৰ অভিষেক শৰ্মাই ১৩টা বলত ৩১ ৰান কৰাৰ লগতে অধিনায়ক সূৰ্যকুমাৰ যাদৱে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৩টা, আৰু যশপ্ৰীত বুমৰা আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**